**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

ৰাজ্যত আজি পুনৰ দুখন সমজিলা সংযোজনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হ'ব। এই উপলক্ষে শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব। উল্লেখযোগ্য যে কালি ৰাজ্যত ৮ খন নতুন সমজিলাৰ সংযোজন হয়।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গোলাঘাট জিলা ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে দেৰগাঁৱৰ অসম আৰক্ষী সন্মিলন কেন্দ্ৰত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ৮ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰৰ জৈৱ শোধনাগাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে এখন জনসভাত অংশ ল'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীৰ এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে ইয়াৰ প্ৰস্তুতিৰ বিভিন্ন দিশৰ বিষয়ে পৰ্যালোচনা কৰি সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ত কালি কোৰিয়ান ভাষাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জীতেন হাজৰিকা আৰু লি কে চেওকে প্ৰাচীৰ পত্ৰিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা বিভাগৰ মুৰব্বী অধ্যাপক ড° সুৰজিৎ বৰকটকী, বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু কোৰিয়ান ভাষাৰ শিক্ষাৰ্থীসকল উপস্থিত থাকে। উন্মোচনী ভাষণত উপাচাৰ্যগৰাকীয়ে ভাৰত আৰু কোৰিয়াৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত এনেধৰণৰ পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

oooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত কালি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ,

১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

০০০০০০

স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কুটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীকে ধৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে পেৰেডৰ অনুশীলন চলাই আছে।

আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ঘৰে ঘৰে ত্ৰিৰংগ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ত্ৰিৰংগ সমলয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আজি বিয়লি আয়োজন কৰা কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কালি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষণ সমাপ্ত কৰা আৰক্ষী জোৱানসকলে পাছিং আউট পেৰেডত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীত গোৱাৰ কনিষ্টবল সকলক প্ৰশিক্ষণ প্ৰদান কৰাটো অসমৰ বাবে আনন্দৰ কথা বুলি মন্তব্য কৰে। তেওঁ কয়, যে গোৱা আৰু অসমৰ মাজৰ দূৰত্ব অধিক হোৱাৰ সত্ত্বেও এই জোৱানসকলক অসমত প্ৰশিক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতা প্ৰতিফলিত হৈছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে যোৱা ১৫ মাৰ্চত লাচিত বৰফুকন পুলিচ একাডেমীখন উদ্বোধন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই একাডেমীত ধাৰাবাহিকভাৱে অসম আৰক্ষীৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। চলিত বছৰত মণিপুৰ আৰক্ষীত নিযুক্ত কণিষ্টবলকো এই একাডেমীত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি তেওঁ কয়।

০০০০০০

সমাপ্ত